তাৰিখ : ১৮/১১/২০১৫

# অসম জাতীয় বিদ্যালয়ত 'দিক্‌বলন' অনুষ্ঠান

গুৱাহাটী ১৮ নৱেম্বৰ : অসম জাতীয় বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দিক্‌বলন অনুষ্ঠানটি ১৭ নৱেম্বৰৰ দিনা অনুষ্ঠিত হৈ যায়। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে পুৱা ৯ বজাৰ লগে লগে উক্ত কাৰ্যসূচীৰ শুভাৰম্ভৰ ঘোষণা কৰে। ইয়াৰ পিছতেই ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই শুভেচ্ছামূলক বক্তব্যত শিক্ষাৰ্থীসকলৰ হাতৰ আখৰ সন্দৰ্ভত তেওঁলোকৰ মনোযোগ, নিয়ন্ত্ৰণ আৰু সাৱধানতা এই তিনিওটা বিষয়ত অধিক গুৰুত্ব দিব লাগে সেই কথা প্ৰকাশ কৰে। তদুপৰি শিক্ষাৰ্থীসকলৰ হাতৰ আখৰ সু-শৃংখলিত, স্পষ্ট আৰু পৰিপাটিকৰণৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীয়ে ল'ব লগা তত্ত্বাবধান সম্পৰ্কত আলোচনা দাঙি ধৰে অসমীয়া বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী অপৰাজিতা বৰা, ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী জুনুমণি শৰ্মা আৰু উপাধ্যক্ষ ৰঘুনাথ কুমাৰে। এই অনুষ্ঠানতে 'সংবাদ মাধ্যমত ব্যৱহাৰ হোৱা সাম্প্ৰতিক অসমীয়া ভাষা আৰু অসমীয়া ভাষাৰ ভৱিষ্যত' সম্পৰ্কত তত্ত্বগধুৰ আলোচনা আগবঢ়াই 'আমাৰ অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মা আৰু 'প্ৰতিদিন টাইম'ৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই। তিনিটা পৰ্যায়ত অনুষ্ঠিত অনুষ্ঠানটিৰ শেষ পৰ্যায়ত গুৱাহাটী তেল শোধনাগাৰৰ চিকিৎসালয়ৰ মুখ্য চিকিৎসক ডা° অমিয় কুমাৰ শৰ্মাই 'Life style and Disease' সম্পৰ্কত এটি বক্তব্য দাঙি ধৰে। অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা কোষাধ্যক্ষ দিলীপ কুমাৰ দত্ত চৌধুৰী আৰু সচিব ডা° নাৰায়ণ শৰ্মাই এই দিক্‌বলন কাৰ্যসূচীত উপস্থিত থাকে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়